**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমৰ ৫টা বিধানসভা সমষ্টিৰ ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনৰ ভোটগণনা প্ৰায় শেষপৰ্যায়ত উপনীত হৈছে। চিদলী, বঙাইগাঁও, ধলাই আৰু বিহালী সমষ্টিত বিজেপি সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। ইপিনে চামগুৰি সমষ্টিত বিজেপি সমৰ্থিত প্ৰাৰ্থীয়ে অগ্ৰগতি লাভ কৰি আছে। চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁট প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাতকৈ অধিক ভোটত জয়লাভ কৰে। একেদৰে বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱালে ৯ হাজাতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে। নগাঁও জিলাৰ চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ২২ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে।

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৫ খনৰ ভিতৰত ৫ খন আসনতে জয়লাভ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

বঙাইগাঁও সমষ্টিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ জয়ৰ পিছতে গুৱাহাটীৰ আমবাৰীত থকা অগপৰ মুখ্য কাৰ্যালয়ত দলীয় কৰ্মীসকলে বিজয় উৎসৱ উদযাপন কৰে। দলটোৰ সভাপতি অতুল বৰাৰ লগতে কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰাৰ্থীগৰাকীক অভিনন্দন জ্ঞাপন কৰাৰ লগতে দলীয় কৰ্মীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। এই জয়ে অসমৰ জনসাধাৰণ আঞ্চলিকতাবাদ তথা অসম গণ পৰিষদৰ সৈতে যে আছে, পুনৰ তাকে প্ৰমাণ কৰিছে বুলি অতুল বৰাই প্ৰকাশ কৰে। শ্ৰী বৰাই লগতে কয়, যে জনসাধাৰণে এন ডি এৰ বিকাশ যাত্ৰাক নিৰৱচ্ছিন্নভাৱে আগবাঢ়ি যোৱাতো বিচাৰে, সেয়েহে পুনৰবাৰ প্ৰমাণিত কৰিলে।

oooooo

মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত বিধানসভা নিৰ্বাচনৰ ভোটগণনা শান্তিপূৰ্ণভাৱে চলি আছে। মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহাজুটি মৰ্চা পুনৰ শাসনলৈ অহাৰ পথ প্ৰশস্ত হৈ উঠিছে। বৰ্তমানলৈকে পোৱা তথ্য অনুসৰি বিজেপিৰ ৫ গৰাকী শিৱসেনাৰ ৩গৰাকী আৰু এন চি পিৰ ২গৰাকী জয়ী হৈছে। ৰাজ্যখনৰ মুঠ ২৮৮খন আসনৰ ভিতৰত ১২৫ খনত বিজেপিয়ে, ৫৩খনত শিৱসেনাৰ একনাথ সিন্দে গোট আৰু ৩৭খনত এন চি পিৰ অজিত পাৱাৰ গোটৰ প্ৰাৰ্থী আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ ভিতৰত কংগ্ৰেছ ২০ গৰাকী, শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ ১৯গৰাকী আৰু এন চি শাৰদ পাৱাৰ গোটৰ ১১গৰাকী প্ৰাৰ্থী আগবাঢ়ি আছে।

ঝাৰখণ্ডত মুঠ ৮১ খন আসনৰ ভোটগণনা চলি আছে। শেহতীয়া তথ্য মতে শাসনত থকা জে এম এম নেতৃত্বৰ মৰ্চা, বিজেপি নেতৃত্বৰ এন ডি এতকৈ আগবাঢ়ি আছে। জে এম এম ৩৪খন, কংগ্ৰেছ ১৬খনত আগবাঢ়ি আছে। আনহাতে, বিজেপি ২১খন, আৰ জে ডি ৪খন আসনত আগবাঢ়ি আছে।

০০০০০০

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ লগতে আজি ১৩খন ৰাজ্যৰ দুটা লোকসভা সমষ্টি আৰু ৪৬টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা চলি আছে। কেৰালাৰ ৱায়ানাড় লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ৱাড্ৰাই তেওঁৰ নিকটতম চি পি আইৰ প্ৰাৰ্থী সত্যম ম'কাৰীক ৪লাখতকৈ অধিক ভোটত পৰাজিত কৰিছে। অৱশ্যে,সমষ্টিটোৰ ফলাফল চৰকাৰীভাৱে আনুষ্ঠানিকভাৱে ঘোষণা হ'বলৈ বাকী আছে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে দুটাকৈ সমষ্টিত বিজয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসনখন এৰি দিয়াৰ বাবে সমষ্টিটোত পুনৰ ভোটগ্ৰহণ কৰা হৈছিল। মহাৰাষ্ট্ৰৰ নান্দেড় লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী ড০ চান্তুকৰাও মেৰটৰাও হাম্বাৰ্ডে তেওঁৰ প্ৰতিদ্বন্দ্বীগৰাকীতকৈ ৩ লাখতকৈও অধিক ভোটত আগবাঢ়ি আছে আৰু তেওঁৰ বিজয় নিশ্চিত হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

**সমাপ্ত**